# সপৰিয়ালে বিলাত ভ্ৰমণ

সেই সময়ত আমাৰ প্ৰথমা কন্যাৰ বিয়া হৈ গৈছিল। বিয়াৰ পিচতে তেওঁ নিজৰ স্বামীৰ লগত তিনি বছৰ বিলাতত থাকি উভতি আহিছিল। আমাৰ প্ৰথম পুত্ৰ, বাৰীন্দ্ৰকুমাৰ সেই সময়ত বিলাতত আছিল অধ্যয়নৰ কাৰণে।

বাকী তিনিজন লৰা-ছোৱালীক লৈ ১৯৪৯ চনৰ আগষ্ট মাহত আমি বিলাতলৈ যাত্ৰা কৰিলো। জাহাজতে আমাৰ ২১ দিন লাগিছিল। মই আৰু মোৰ ছোৱালীজনীয়ে প্ৰায়ে জাহাজৰ কেবিনত শুইয়েই কটাইছিলো, উঠিব খুজিলেই আমাৰ ওকালি আহিবলৈ ধৰিছিল। কি জীয়া যন্ত্ৰণা ভোগ কৰিব লগাত পৰিছিল। ডাক্তৰ দাস আৰু লৰা দুজন ৰতেনেকুৱা চিচিক হোৱা নাছিল। আমাৰ জাহাজ টিলবাৰী বন্দৰত ৰোৱাত, আগতে খবৰ দিয়া মতে আমাৰ লৰা বাৰীণ বাপুৱে আহি আমাক লণ্ডনলৈ লৈ গ'ল গৈ। আমাৰ কাৰণে এডেন মূৰত এটা ঘৰ ভাড়া কৰিছিল, তাতে আমি উঠিলোগৈ।

**লণ্ডনত**

লণ্ডনত আমাৰ ইয়াৰ দৰে কাম কৰা মানুহ নাপায়। মই নিজে ভাত আদি ৰান্ধিছিলো ঘৰ দুৱাৰৰ ভিতৰ লৰা-ছোৱালীকিটাই পৰিস্কাৰ কৰিছিল। মাজতে এজনী তিৰোতাক ঘৰ পৰিষ্কাৰ

কৰি দিবলৈ সপ্তাহত এবাৰকৈ ৰখা হৈছিল। প্ৰতিবাৰতে এক পাউণ্ড দিব লাগিছিল।

লণ্ডনৰ ঘৰবোৰ কেবা তলাৰ, বৰ ওখ ওখ, বাহিৰৰ পৰা ঘৰবোৰ বৰ অশুৱনী, ধোৱা লগা ঘৰৰ দৰে দেখি। কিন্তু ঘৰৰ ভিতৰবোৰ আৱশ্যকীয় আহিলা পাতিৰে সজোৱা পৰোৱা।

বিলাতৰ ঐতিহাসিক ঠাইবোৰ চাবলৈ বহুত যাত্ৰীৰ সমাগম হয়। সেইবোৰ ঠাই চাবলৈ যান-বাহনৰ বিশেষ সুবিধা আছে। বাছৰ টিকট কিনি যেতিয়া মানুহবোৰ বাছত উঠে এজন গাইডে কোনটো কি বৰ্ণনা কৰি দেখুৱাই যায়। নামিব লগা ঠাইত আৰোহী বিলাকক নমাই চাব লগা ঠাইবোৰ ভালকৈ বুজাই দেখুৱাই দিলে। বিলাতত সকলোতে কিউ পন্থা মানি চলিব লাগে। চোৱা চিতা কৰোতেও, বাছত উঠোতেও, চিনেমা, থিয়েটাৰ চাওতেও, দোকানত বস্তু কিনোতেও সকলোতে কিউ পন্থা মানি চলিবলৈ কাকো সোঁৱৰাই দিব নালাগে।

এদিন আমি দুপৰীয়া পাৰ্লিয়েমেণ্ট হাউচৰ ফালে ফুৰিবলৈ গৈছিলো। লৰা-ছোৱালীবোৰ লগত নাছিল। ডাক্তৰ দাস আৰু মই আছিলো। বহুত মানুহক পাৰ্লিয়েমেণ্ট হাউচৰ দুৱাৰ মুখলৈকে বহুত দূৰৈৰ পৰা লাইন পাতি থিয় দি থকা দেখি আমি এজনক সুধিলো কিয় তেনেকৈ লাইন পতা হৈছে বুলি। মানুহ জনে কলে ভিতৰত সোমাই পাৰ্লিয়েমেণ্ট সভা চোৱাৰ কাৰণেই সেইদৰে কিউ কৰিছে। আমিও সেই সুযোগতে পাৰ্লিয়েমেণ্ট সভা চাবৰ অভিপ্ৰায়ে শাৰীৰ পিচত থিয় দিলো। তেতিয়া দিনৰ দুইমান বাজিছিল। চাৰি বজালৈকে সেই একে ঠাইতে থিয় দি থকাত আমাৰ জাৰত ভৰি হাত শিশিৰাবলৈ ধৰিলে। একোবাৰ তাৰ পৰা ওলাই গুচি আহিবৰ ইচ্ছা গৈছিল। পিচ ফালে উভতি দেখিলো আমাৰ পিচতো বহুত মানুহে কিউ কৰি আছে।

আগতো মানুহৰ দীঘল শাৰী, পিচতো তাতোকৈ দীঘল শাৰী। আগে পিচে ইমান মানুহে ধৈৰ্য্য ধৰি আছে আমিনো নাথাকো কিয় এই বুলি ভাবি আমি ধৈৰ্য্য ধৰি ৰেলা। ৪-৩০ বজাত সভাঘৰৰ মুখৰ ঘৰত সোমাব পাৰিলো। তাৰ পিচত আকৌ তিনি ঠাইত সেই ঘৰত কিউ কৰি অৱশেষত ৭ মান বজাত পাৰ্লিয়েমেণ্টৰ ঘৰত সোমাই বক্তৃতা শুনিবলৈ পলো। আমি যেতিয়া ৭ মান বজাত সভা ঘৰৰ পৰা ওলাই আহো, তেতিয়াও কিছুমানে কিউ হৈ বাহিৰতে থিয় হৈ আছিল। বিলাতৰ মানুহে কেনেকৈ ধৈৰ্য্য ধৰি নিয়মানুবৰ্ত্তিতাৰ ভিতৰেদি চলিবলৈ শিকিলে ভাবিলে আচৰিত লাগে।

লণ্ডনৰ দোকানৰ সংখ্যা বৰ বেছি যেন লাগিল। সাধাৰণতে ৰাজ আলিৰ দুই কাষে কেৱা তলাৰ ঘৰৰ তল টালাতে দোকান। দোকানৰ কোঠা আইনাৰে বেৰা, তাৰ ভিতৰত নানা তৰহৰ বহু-মূলীয়া অলঙ্কাৰ পাতি আদি বস্তু সজাই থোৱা হয়। মানুহে বাটে দি খোজ কাঢ়ি যাওতেও বৈ বস্তুবোৰ চাই যাব পাৰে। দোকানী ভিতৰত থাকে দোকানৰ ভিতৰলৈ যোৱা নিৰ্দ্দিষ্ট দুৱাৰ আছে। গ্ৰাহকে সেই দুৱাৰেদি সোমাই দোকানীৰ পৰা বস্তু কিনে। দাম দৰ কৰা তাত নিয়ম নাই। দোকানীয়ে গ্ৰাহকক একেবাৰতে ঠিক দাম কয়। বিলাতৰ দোকান ছয় বজাতে বন্ধ হয়। শনিবাৰে এক বজাত প্ৰায় সকলো দোকান বন্ধ হয় আৰু দেওবাৰে গোটেই দিন বন্ধ থাকে। দোকানবোৰ অফিচৰ সময়তে খোলে আৰু অফিচ বন্ধ হোৱাৰ সময়তে বন্ধ হয়। দোকানৰ বস্তুবোৰ সইদৰে বাটৰ কযত আইনাৰ বেৰৰ ভিতৰত থোৱা দেখি, মোৰ প্ৰথমে বৰ আচৰিত লাগিছিল। মানুহে আইনা ভাঙি বস্তুবোৰ লৈ যাব পাৰে বুলি দোকানীয়ে নেভাবেনে? বিলাতৰ মানুহে পৰৰ বস্তুলৈ মোহ নকৰে। আনকি বাটত বা ৰাজহুৱা ঠাইত কোনোবাই কিবা বস্তু হেৰা. পালে তাক কেতিয়াও আত্মসাৎ নকৰে। হেৰা পোৱা বস্তু থোৱা ঠাই

আছে হেৰা পোৱা বস্তুবোৰ তলৈ পঠাই দিয়ে। মানুহৰ বস্তু হেৰালে সেই ঠাইত খবৰ কৰে, বহুতে নিজৰ হেৰোৱা বস্তু তাতে পায়।

এদিন ফুৰিবলৈ যাওতে আলিৰ ওপৰত কিছুমান খবৰ কাগজৰ ওপৰত কিছুমান পইচা পৰি থকা দেখি আচৰিত হৈছিলো কোনে পইচাবোৰ তেনেকৈ পেলাই থৈছে বুলি ভাবি।

পিচত জানিব পাৰিলো কাগজৰ গৰাকীয়ে কাগজবোৰ বিক্ৰী হবৰ কাৰণে তেনেকৈ থৈ গৈছিল। অহা যোৱা মানুহে কাগজ কিনিব খুজিলে কাগজৰ ওচৰত দাম থৈ কাগজ লৈ গৈছিল। এইদৰেই কাগজ বেচা হৈ গলেই গৰাকীয়ে পিচত পইচা লৈ যায়।

বিলাতত দেখিলো মানুহৰ ঘৰৰ দুৱাৰ মুখে মুখে গাখীৰৰ বটল গাখীৰ বেচোতাই ৰাখি যায়। সেই গাখীৰৰ বটল তাতে থাকে, আন কোনো মানুহে সেই বটলত হাত নিদিয়ে। গৃহস্থই সেই গাখীৰৰ বটল নিজৰ ঘৰৰ ভিতৰলৈ নিনিয়ে মানে, নিৰাপদে গাখীৰৰ বটল ঘৰৰ দুৱাৰ মুখত যেনেভাৱে থয় তেনেভাৱেই থাকে। তেতিয়া মোৰ আমাৰ দেশৰ কথা মনত পৰিছিল। সেইদৰে দুৱাৰৰ ওচৰত গাখীৰৰ বটল আমাৰ দেশৰ গৃহস্থই পালেহেঁতেননে?

এদিন বাছত উঠি ফুৰিবলৈ গৈছিলো। মই আৰু মোৰ ছোৱালীজনীয়ে ৰিহা-মেখেলা পৰিধান কৰিছিলো। এজনা অলপ বয়সীয়া মহিলাই আমাৰ ওচৰতে আসন গ্ৰহণ কৰিছিল। তেওঁ ক্ষন্তেকৰ কাৰণে আমাৰ ফালে চাইছিল, তেওঁ চোৱা আমিও অনুভৱ কৰিছিলো। বাছৰ পৰা নামি যাবৰ সময়ত তেওঁ আমাৰ ওচৰত থিয় দি সৰু সৰুকৈ কলে "মই বৰ দুখীত, মই আপোনালোকৰ ফালে চাইছিলো, কিন্তু আপোনালোকে মোক একো নকলে, আপোনালোক ইমান ভাল, মোক ক্ষমা কৰিব।" উপৰোক্ত কথাখিনি কৈয়ে মহিলা গৰাকী বাছৰ পৰা

নামি গ'ল। ৰাইজৰ যাতায়তৰ সুবিধাৰ কাৰণে চৰকাৰে সকলো যান-বাহন নিয়ন্ত্ৰণ কৰা ভাৰ গ্ৰহণ কৰে। বিলাতত পুৰুষ-মহিলাই উভয়ে নিজ নিজ কামত ব্যস্ত। খুব ধনী মানুহৰ বাহিৰে আনে পৰিচাৰক বা পৰিচাৰিকা ৰাখিবলৈ সক্ষম নহয়। ঘৰৰ গৃহিণী গৰাকীয়ে ৰন্ধা বঢ়া, ঘৰ পৰিষ্কাৰ কৰা, বজাৰ কৰা আদি কামত নিজক লিপ্ত ৰাখে। গৃহস্থ জনেও বাহিৰৰ কামৰ পৰা অবসৰ পালে ঘৰৰ কামত গৃহিণীক সময় বুজি সহায় কৰিবলৈ কুন্ঠিত নহয়। কেচুৱা লৰা-ছোৱালী থাকিলে মাকবিলাকে বজাৰ কৰিবলৈ যাওতে কেচুৱাক ঠেলা গাড়ীত তুলি লৈ যায়। দোকানৰ বাহিৰত কেচুৱাক থৈ, বজাৰ কৰি আহিবৰ সময়ত লৈ আহে। বিলাতত কাম কৰাত মানুহে লাজ নকৰে পৰিশ্ৰমৰ সন্মান সকলোৱে বুজে। সকলোৱে নিজৰ অৱস্থা অনুসৰি চলিবলৈ শিকে। আনক লাজ কৰি নিজৰ আচল অৱস্থা কেতিয়াও তেওঁবিলাকে লুকাবলৈ যত্ন নকৰে। বিলাতত খুব কম ঘৰৰ সম্মুখতহে মুকলি ঠাই দেখিবলৈ পোৱা যায়। কেতিয়াবা কেচুৱাৰ গাত ৰ'দ লাগিবৰ কাৰণে মাক বিলাকে বাটতে ঠেলা গাড়ীত কেচুৱাক শুৱাই থয়। বিলাতত স্কুল কলেজ চোৱাই মোৰ প্ৰধান উদ্দেশ্য আছিল। ইণ্ডিয়া হাউছৰ লগত বন্দোবস্ত কৰি স্কুল কলেজ চোৱা ঠিক কৰি লোৱা হৈছিল। প্ৰথমে Domestic Science Training College চাবলৈ গলো। কলেজৰ ইতিহাসৰ পৰা জানিব পাৰিলো সেই কলেজ প্ৰথম ছোৱালীক ৰন্ধা-বঢ়া শিকাবলৈ খোলা হৈছিল। কিন্তু ই এতিয়া Domestic Science ৰ বৃহৎ Training College ত পৰিণত হৈছে। কলেজৰ আধা খৰচ চৰকাৰে বহন কৰে। তাৰ সৰঞ্জাম আদি কিনাত চৰ-কাৰে বিশেষ ভাবে সহায় কৰে। কলেজত দুটা বিভাগ আছে, Senior আৰু Junior বিভাগ। আগৰটোত চাৰি বছৰ শিক্ষা লব লাগে, সেইটো ডিগ্ৰী কৰ্ছ। ইয়াত উত্তীৰ্ণ হব পাৰিলে

শিক্ষয়িত্ৰী হব পাৰে আনটো দুবছৰৰ কছ। ইয়াত উত্তীৰ্ণ হব পাৰিলে হোটেল আদিত কাম কৰিব পাৰে। মেট্ৰিক পাছ কৰিলেহে সেই কলেজত ভৰ্ত্তি হব পাৰে। সেই সময়ত কলেজৰ ছাত্ৰীৰ সংখ্যা তিনিশ বুলি কৈছিল। কলেজত সকলো শিক্ষয়িত্ৰী, তাত শিক্ষক নাছিল।

মই কলেজত সোমাওতেই প্ৰথমেই মোক অধ্যক্ষৰ ওচৰলৈ লৈ যোৱা হৈছিল। তেখেতে মোক য'ত Heads of the Departments সকলে চাহ খাই আছিল তালৈ লৈ গ'ল তাতে মোকো চাহ খাবলৈ অনুৰোধ কৰিলে। চাহ খাই থাকোতেই মোৰ উদ্দেশ্যৰ বিষয়ে সকলো কথা শুধিলে। মই কলেজ চোৱাৰ উদ্দেশ্যে তালৈ যোৱাৰ বিষয়ে জানিব পাৰি তাতেই কোনে মোক কি দেখুৱাব সকলো ঠিক কৰি দিলে। প্ৰথমে বিজ্ঞানৰ মুখীয়ালজনে মোক লৈ গৈ তেওঁৰ বিভাগৰ সকলো দেখুৱালে। তাৰ পিচত তেওঁ মোক ৰন্ধা-বঢ়া কৰা চোৱা মুখীয়াল জনক গতাই দিলে। তেওঁ মোক ছাত্ৰীবিলাকে যত ৰান্ধি আছিলে তালৈ নিলে। সেইটো Senior Section ৰ ৰন্ধা-বঢ়া আছিল। তাৰ মুখীয়াল গৰাকীয়ে Junior Section ৰ মুখীয়াল জনক গতাই দিলে। Junior মুখীয়াল গৰাকীয়ে চিলাই বিভাগৰ মুখীয়াল গৰাকীক গতাই দিলে। চিলাইৰ মুখীয়ালজনে তেওঁৰ বিভাগৰ সকলো দেখুৱা হলত আকৌ মোক অধ্যক্ষাৰ অফিচত থৈ গ'ল। অধ্যক্ষাৰ লগত কথা-বতৰা হওতে মই ৰন্ধাৰ পৰিমাণ বেছি দেখাৰ বিষয়ে সুধিছিলো। উত্তৰত তেওঁ কলে ছোৱালীবিলাকে দুপৰীয়াৰ খোৱা কলেজতে কৰে। ওচৰৰ অফিচ বিলাকত কাম কৰা মানুহেও ভাত খাবলৈ আহে। তেওঁ-বিলাকৰ খোৱা ঠাইৰ বেলেগ বন্দোৱস্ত আছিল। তেওঁবিলাকে সেই খোৱাৰ কাৰণে পইচা দিছিল।

The Bedford College for Women চাবলৈ গলোঁ। এইখন চৰকাৰী ছোৱালী কলেজ। ইয়াত ছাত্ৰীৰ সংখ্যা ৮০০

আছিল। এই কলেজত ডক্টৰেটলৈকে পঢ়োৱা হয়। কলেজত শিক্ষক শিক্ষয়িত্ৰীৰ সংখ্যা সমান আছিল। কিন্তু প্ৰিন্সিপাল, ৰেজিস্ট্ৰাৰ, আৰু টিউটৰৰ বাব মহিলাৰ হাতত।

যোৱা মাত্ৰকে আমাক ৰেজিষ্ট্ৰাৰৰ ওচৰলৈ লৈ যোৱা হল। ডাক্তৰ দাসো এই কলেজ পৰিদৰ্শন কৰাত মোৰ লগত আছিল। ৰেজিষ্ট্ৰাৰে আমাক বহিবলৈ দি প্ৰিন্সপাললৈ ফোন কৰি আমাক তেওঁৰ ওচৰলৈ লৈ গ'ল। প্ৰিন্সিপালে আমাৰ লগত অলপ কথা বতৰা হৈ ৰেজিষ্ট্ৰাৰক আমাক কলেজ দেখুৱাবলৈ কলে। ৰেজিষ্ট্ৰাৰে টিউটাৰলৈ ফোন কৰি আমাক তেওঁৰ অফিচলৈ লৈ গ'ল। তেওঁবিলাক দুয়োৰে আমাক কলেজৰ চাৰিওফালে দেখুৱালে।

লাইব্ৰেৰীটো বৰ ডাঙৰ। লাইব্ৰেৰীয়ানৰ তলত ন গৰাকীয়ে কাম কৰে। অতি চমৎকাৰ কলেজৰ লাইব্ৰেৰী কলেজ ঘৰ দেখিলেই চকু জুৰায়। বহুত ঠাই জুৰি কলেজৰ কম্পাউণ্ড। সেই কলেজত পুৰুষেও ডক্টৰেট পঢ়িব পাৰে। আমাৰ অসমৰ পৰা যোৱা বিদ্যাৰ্থী এজনেও সেই কলেজত ডক্টৰেটৰ কাৰণে যত্ন কৰা বুলি জানিব পাৰিছিলো। আমাৰ লগে লগে ৰেজিষ্ট্ৰাৰ, টিউটাৰ আৰু লাইব্ৰেৰীয়ানে প্ৰায় তিনি ঘণ্টামান ঘূৰি ফুৰি আমাক সকলো দেখুৱালে। তেওঁবিলাকে আমাক চাহ খাবলৈ বৰকৈ ধৰিছিল, বিশেষ কাৰণত আমি তেওঁবিলাকৰ অনুৰোধ ৰাখিব নোৱাৰি বৰ দুখ পালো। বাটৰ দূৰলৈকে তেওঁবিলাকে আমাক আগবঢ়াই দিলে। মই ছোৱালীৰ Training College চাবলৈ গৈছিলো। এই কলেজৰ নাম The Maria Grey Traninig College। ইয়াৰ ছাত্ৰীৰ সংখ্যা ১৫০ জনীমান হব। প্ৰিন্সিপালৰ লগত দেখা কৰাৰ পিচত ভাইস প্ৰিন্সিপালে মোক ক্লাছ লোৱা দেখুৱাবলৈ নিলে। ক্লাছত এগৰাকী ভাৰতীয় মহিলা দেখিলো। তেওঁৰ নাম মিচেছ সিংহ যদিও তেওঁক বঙালী যেন নালাগিল। ক্লাছ চলি থকা কাৰণে তেওঁৰ লগত কথা পতাৰ

সুযোগ নহল । কলেজ চাই দুই বজামানত ঘৰলৈ উভতিলো।

পিছদিনা South Hampshed Grammar School চাবলৈ গলো। মই যোৱা মাত্ৰকে স্কুলৰ ছেক্ৰেটেৰীয়ে মোক আগবঢ়াই নিলেহি। সেই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীক প্ৰিন্সিপাল বোলা হয়। সেই সময়ত তেওঁ ক্লাছত আছিল পিচত তেওঁ আহিল। দুজনৰ ভিতৰত কথা হৈ ছেক্ৰেটেৰী গৰাকীয়েই মোক ক্লাছ দেখুৱাবলৈ লৈ গ'ল। স্কুলটোক কিয় Grammar School বোলা হয় বুলি সোধাত, তেওঁ ভালকৈ কব নোৱাৰিলে। আগৰে পৰা গ্ৰামাৰ স্কুল বোলা হৈ আহিছে বুলি কলে। মই যি সময়ত ক্লাছ পৰিদৰ্শন কৰিছিলো, সেই সময়ত প্ৰত্যেক ক্লাছতে লিখা কাম কৰা দেখিছিলো। Public Administration শ্ৰেণীত ছাত্ৰীবিলাকক পাৰ্লিয়েমেণ্টৰ ঘৰটো আঁকিবলৈ দিয়া দেখিছিলো। অঙ্কৰ ক্লাছত ছোৱালীক অঙ্ক কৰি থকা পালোঁ। ইংৰাজী ক্লাছ, ব্যায়াম ক্লাছ, গানৰ ক্লাছ, আদি কিছুমান ক্লাছ দেখুৱাৰ পিচত মোক সৰু সৰু ছোৱালীবোৰৰ ক্লাছলৈ লৈ গ'ল। স্কুলৰ দুটা বিভাগ Senior আৰু Junior বিভাগ পৃথক, স্কুলঘৰো বেলেগ। ডাঙৰ ছোৱালী বিলাকৰ লগত সৰুবিলাকক মিলিবলৈ দিয়া নহয়। সৰু বিলাকৰ লগত সকলো সময়তে শিক্ষয়িত্ৰী থাকে। তেওঁবিলাকৰ খেল-ধেমালিৰ সময়তো লগত শিক্ষয়িত্ৰী থাকে।

অভিভাৱক সকলে ৰাতিপুৱাতে নিজৰ সৰু সৰু ছোৱালীবিলাকক স্কুলত থৈ যায়। স্কুলতে ছোৱালীবোৰক গা ধোৱা, পৰিষ্কাৰ হবলৈ শিকায়। দুপৰীয়াৰ সাজ সিহঁতে স্কুলতে খায়। চাৰি মান বজাত স্কুল ছুটী হলে অভিভাৱকে নিজৰ ছোৱালীক স্কুলৰ পৰা ঘৰলৈ লৈ আহে। ছোৱালীবিলাকে স্কুলত মুকলিমূৰীয়া ভাৱে স্ফুৰ্ত্তিত অধ্যয়ন কৰে, লগে লগে খেলা-ধূলাও কৰে। নিয়ম কাৰণো শিকে।

## লিডছত

আমি লিডছলৈ গৈ Leeds University চাই আহিলো। সেই সময়ত নতুনকৈ ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি হোৱা সময় আছিল। আমাৰ সৰু ছোৱালীজনীক ভৰ্ত্তি কৰিবৰ অভিপ্ৰায়েৰেই আমি লিডছলৈ গৈছিলো। বিশ্ববিদ্যালয়ৰ ডাঙৰ হল এটাত বিভাগীয় মুৰব্বীসকলে গাউন পিন্ধি বহি থকা দেখিলো। কোনখিনিত কোন বিভাগ, কাৰ্ড মাৰি থোৱা আছিল। ছাত্ৰ-ছাত্ৰীসকলে ফৰ্ম্ম পূৰ্ণ কৰি নিজৰ নিজৰ বিভাগৰ মুৰব্বীসকলৰ ওচৰত দি আহে। কিবা লিখাত ভুল হলে বা কিবা এৰি গলে বিভাগীয় মুৰব্বী-জনে দেখুৱাই দিয়ে। তাৰ পিচত ফৰ্ম্ম টকাৰে সৈতে কৰাণীৰ হাতত গটাই দিয়ে। বিলাতত কি পুৰুষ কি মহিলা কামৰ সৰু বৰ নিবিচাৰে নিজ নিজ কাম কৰিবলৈ অন্তঃকৰণেৰে চেষ্টা কৰে। এই দেশৰ মানুহৰ কৰ্ত্তব্যশীল গুণ অতি প্ৰশংসনীয়। এওঁবিলাকৰ মনৰ সৰলতা ন্যায়পৰায়ণতা মনৰ একাগ্ৰতা গুণৰ বলতে আজি এওঁবিলাকৰ দেশে এনেকৈ উন্নতিৰ জখলাত উধাব পাৰিছে। এই দেশৰ ৰাজহুৱা অনুষ্ঠানবোৰে যে ইমান উন্নতি লাভ কৰে তাৰ প্ৰধান কাৰণ হৈছে যাৰ হাতত এইবোৰ পৰি-চালনা কৰা ভাৰ পৰে তেওঁবিলাকে নিজৰ স্বাৰ্থৰ কথা একে-বাৰে নাভাবি অনুষ্ঠানৰ উন্নতিৰ অৰ্থে অহোপুৰুষাৰ্থ কৰে। ৰাজহুৱা পুঁজি ইত্যাদিৰ কেতিয়াও অপ ব্যৱহাৰ কৰা নহয়।

## ষ্টকহলমত

লণ্ডনৰ বাহিৰেও আমি কন্টিনেণ্টলৈ (Continent) ফুৰিবলৈ গৈছিলো। আমাৰ লৰা বাৰীণ বাপুৱে আমাৰ কাৰণে টমাচকুকৰ জৰিয়তে সকলো আৱশ্যকীয় বন্দোবস্ত কৰি দিছিল। এঘাৰ অক্টোবৰৰ দিনা দুপৰীয়া তিনি বজাত লণ্ডনৰ পৰা ৰেলেৰে টিল-বাৰী বন্দৰলৈ ৰাওনা হৈ চুইদেনলৈ যোৱা জাহাজত উঠো।

১৩ তাৰিখৰ দিনা জাহাজৰ পৰা নামি ৰেলেৰে ষ্টকহলমলৈ ৰাওনা হলো। এগৰাকী নৰওৱেৰ মহিলাই আমাক বৰ সহায় কৰিছিল। মোৰ স্বামী ডাক্তৰ দাস আৰু মই অকলে সেইদৰে অচিনাকি ঠাইত ভ্ৰমণ কৰাত প্ৰথমে বৰ অসুবিধা পাইছিলো। উক্ত মহিলা গৰাকীয়ে যিমানখিনি পাৰে আমাক সহায় কৰি দিছিল। জাহাজ ঘাটৰ পৰা তেওঁ আমাৰ লগত ৰেলৰ ষ্টেচনলৈকে আহিছিল আৰু বিদায়ৰ সময়ত আমাক কৈছিল। "I am proud that I have met you, I have never met Indian people before."

আমাৰ ৰেল গাঁৱৰ মাজেৰে চলিবলৈ ধৰিলে। বিলাতৰ গাঁৱৰ কি অপূৰ্ব্ব দৃশ্য। ঘৰবোৰ সৰু সৰু দুচলীয়া, এটা সৰু পৰিয়াল কথমপিহে থাকিব পাৰে বুলি অনুমান হয়। ঘৰৰ চাৰিওফালে খোলা মাটি আছে। মাটি এনেই পৰি থকা নাই তাত সুন্দৰ ভাৱে খেতি কৰা হৈছে। কিছুমান ঘৰৰ দুৱাৰমুখৰ পৰাই শস্যৰ খেতি। কিছুমান শস্য অতি পৰিপাটিকৈ ৰোৱা হৈছে, কিছুমান শস্য চপোৱা হৈছে আৰু কিছুমানত মাটি সুন্দৰ ভাৱে শস্য ৰুবৰ কাৰণে চহাই থোৱা হৈছে। খেতি পথাৰত কাম কৰা মানুহ খিনিৰ বাহিৰে আন কোনো মানুহকে দেখা নগৈছিল। পথাৰত বেছি মানুহক কাম কৰাও দেখা নগৈছিল। [illegible] নিছিগাকৈ পথাৰত শস্য ৰোৱা আছিল। পথাৰত ৰখীয়া কাকো দেখা নাছিলো। শৃঙ্খলাবদ্ধ ভাৱে পথাৰত শস্যবোৰ ৰোৱা আৰু বিনা কাৰণত গাঁৱলীয়া মানুহে এনেয়ে ঘূৰি ফুৰা বা বহি থকা নেদেখি মোৰ মনত লাগিছিল বিলাতৰ গাঁৱলীয়া মানুহেও নিজৰ কৰ্ত্তব্যৰ দায়িত্ব আৰু সময়ৰ মূল্য ভালকৈ বুজে। আমাৰ ৰেলৰ কোঠাত দুজন ভদ্ৰলোকে বহি খবৰৰ কাগজ পঢ়ি আছিল। কাগজ কিখন দেখি বুজিব পাৰিলো তেওঁবিলাক ইংৰাজ নহয়। পৰস্পাৰৰ লগত তেওঁবিলাকে কথা পতা নাছিল, এজন আগতে নামি গ'ল,

ইজন বহি আছিল শেষলৈকে। ডাক্তৰ দাসে তেওঁক দুপৰীয়াৰ খোৱা দিয়াৰ বিষয়ে সোধা মাত্ৰকে তেওঁ অলপ বেলি উঠি গৈ লাঞ্চ ডেৰ বজাত দিব বুলি বুজাব খুজিলে। আমি নুবুজা যেন পাই তেওঁৰ হাতৰ ঘড়ীটোৰ কাটা ডেৰ বজাৰ ঘৰত দি খোৱাৰ সময় বুজালে। আমাৰ বুজিবলৈ বাকি নাথাকিল তেওঁ ইংৰাজী নজনাত আমাৰ লগত কথা কোৱাত অসুবিধা পাইছে অথচ আমাক সহায় কৰিব খুজিছে। আমি আৰু তেওঁক আমনি নিদিলো। দিনৰ তিনি বজাত আমি ষ্টকহলম পালো। টমাচ কুকৰ মানুহে ষ্টেচনত আমাক সহায় কৰিবলৈ আহি আমাক নিৰ্দ্দিষ্ট হোটেললৈ লৈ গ'ল। টমাচ কুকৰ জৰিয়তে আমাৰ কন্টি-নেন্টনৰ টিকট কিনাত টমাচকুকৰ মানুহে ষ্টেচন পোৱাৰ লগে লগে আমাৰ সকলো বন্দোবস্ত কৰি দিছিল। তাতে আমাৰ বৰ সুবিধা হৈছিল চুইডিছৰ মানুহৰ ভিতৰত ইংৰাজী জনা মানুহৰ সংখ্যা বৰ কম। বাছত আমি ফুৰিবলৈ যাওতে কাকো একো সুধিবলৈ সুবিধা নাপাইছিলো। ষ্টকহলম ঠাইখন বৰ পৰিষ্কাৰ। চুইডিছ ৰজাৰ অট্টালিকা দেখিছিলো আৰু ৰজা আৰু ৰাজপৰিয়ালসকল বহা ঠাইবোৰ আমাক বাছৰ গাইডে দেখুৱাইছিল। ষ্টকহলমত এটা নতুন কথা দেখিছিলো, কিছুমান ল'ৰা-ছোৱালীয়ে নৈৰ পাৰত ধেমালি কৰি আছিল, আমাৰ বাছখন দেখি লৰ মাৰি বাছৰ ওচৰলৈ আহিছিল। ষ্টকহলমৰ টাউন হলটো চাবলগীয়া অট্টালিকা। টাউন হললৈ সোমাই যাওতে আমি তাত এগৰাকী শাৰী পিন্ধা মহিলা দেখিলো। তেওঁ প্ৰদৰ্শনীৰ বস্তু সজোৱাত ব্যস্ত আছিল। মই তেওঁৰ ওচৰ চাপি কলো—"ভাৰতীয় সাজত তোমাক দেখি তোমাৰ লগত কথা পতাৰ লোভ সামৰিব নোৱাৰিলো।" মহিলা গৰাকীয়ে হাহি তেওঁৰ হাতখন মোলৈ আগবঢ়াই দি ওচৰতে থিয় হৈ থকা বয়সীয়া চুইডিছ তিৰোতা এগৰাকীক দেখুৱাই কলে, "এখেত মোৰ শাহু, মই চুইডিছ ভদ্ৰলোকক বিয়া

কৰাইছো।” তেওঁৰ বিয়া হোৱা বেছি দিন হোৱা নাছিল বুলি কলে। শাহুয়েক গৰাকী বৰ ঠাণ্ডা তিৰোতা বুলি মনত লাগিল। আমি টাউন হল চাই বাছত উঠিলো।

বাটত আহোতে বৰ ডাঙৰ ডাঙৰ হস্পিতালৰ ঘৰ দেখিলো। একোটাত ১৫০০ শ নৈকে বেমাৰী ৰখা হয়। ষ্টকহলমত ৩২ টা হস্পিতেল আছে বুলি কলে। সকলো চাই চিতি গধূলি সময়ত আমি থকা হোটেললৈ গলো। আমি যি হোটেলত আছিলো তাত মেনেজাৰ জনৰ বাহিৰে আনবিলাক মানুহে ইংৰাজী নাজানিছিল। আমি থকা কোঠাটো গৰম কৰি ৰাখিবৰ কাৰণে এটা হিটাৰ আছিল। গধূলি আমাৰ জাৰ লগাত আমাৰ কাম কৰি দিয়া লৰাটোক হিটাৰটো জলাবলৈ কলো। ইংৰাজী শব্দৰ লগত চুইডিচ শব্দৰ মিল নাই, গতিকেই আমাৰ কথা বুজিব নোৱাৰি লৰাজনে তৎক্ষণাত আমাৰ ৰুমত থকা টেলিফোনৰ তলত থকা মেনেজাৰৰ লগত কথা হল। তাৰ পিছত ফোনটো ডাক্তৰ দাসৰ হাতত দিলে। তেখেতে মেনেজাৰৰ লগত কথা হোৱাত বুজিব পাৰিলে লৰাজনে ডাক্তৰ দাসৰ কথা বুজি পোৱা নাই। হিটাৰ জ্বলোৱাৰ কথা কোৱা বুলি কোৱাত লৰাজনক আকৌ ফোনটো দিবলৈ কলে। মেনেজাৰে লৰাজনক হিটাৰ জ্বলোৱা কথা বুজাই দিয়াত লৰাজনে লৰালৰিকৈ হিটাৰ জ্বলাই দি লাজত ঘৰৰ পৰা বেগাই ওলাই গ'ল।

পিছদিনা ৰাতিপুৱা ট্ৰামেৰে ফুৰিবলৈ যাবলৈ ওলালো। ট্ৰামৰ সবিশেষ জানিবৰ কাৰণে বাটত লগ পোৱা কাৰোবাক সুধিবলৈ বিচাৰিছো বুলি অনুমান কৰিলেই মানুহ দূৰলৈ গুচি যায়। বৰ বিপদত পৰিলো। এজন ভদ্ৰলোক আমাৰ ফালে বেগাই আহি আমাক ইংৰাজীতে সুধিলে তেওঁ আমাক কিবা সহায় কৰিব পাৰিবনে বুলি। আমি বৰ ৰক্ষা পৰি তেওঁক ট্ৰামৰ বিষয়ে সুধিলো। তেওঁ আমাক ট্ৰামৰ ষ্টেণ্ড নিজে

দেখুৱাই দিলে । ষ্টকহলমত যান-বাহানৰ বৰ সুবিধা দেখিলো । মানুহৰ অহা যোৱা সমাগম বৰ বেছি । শাৰি শাৰি চাইকেল বাটৰ কাষত থৈ দিয়া দেখিলো । অফিচত, ফুলৰ বাগিচা আদিৰ কাষত অগণন চাইকেল শাৰি পাতি থোৱা দেখা পালো । আমি ট্ৰামেৰে প্ৰিন্স গেলাৰী চাবলৈ গলো । ট্ৰামৰ পৰা নামি যাত্ৰীৰ লগত গেলাৰীলৈ সোমাই গলো । সোমাইয়ে এটা সৰু লৰাক প্ৰথম কন্দা দেখিলো । আমি ষ্টকহলমৰ পৰা ডেন মাৰ্কলৈ ৰাওনা হলো । ৰাতি ৮ টা বজাত ৰেলত উঠো, আমাৰ কোঠাতে তিনিজনমান ডেনিচ ডেকাও উঠিছিল ।

লৰা কিজনে অলপ অচৰপ ইংৰাজী কব পাৰিছিল । ইংৰাজ বা চুইডিচৰ দৰে তেওঁবিলাক গম্ভীৰ নাছিল, ওৰে ৰাতি তেওঁবিলাকৰ ভিতৰত স্ফূৰ্তি কাৰি কটাইছিল । তেওঁবিলাক বৰ ৰাংধালি আছিল, আমাৰ লগতো উপযাচি কথা পাতিছিল । লৰাকিজনে আমাক পাছপৰ্ট আদি দেখুৱাত বিশেষ সহায় কৰিছিল ।

আমি ৰেলৰ পৰা নামি জাহাজত উঠিলো । সেই জাহাজত এগৰাকী ফিনলেণ্ডৰ মহিলাৰ লগত দেখা হ'ল । দ্বিতীয় মহা-যুদ্ধৰ বিষয়ে তেওঁ কলে যদি চুইডেন আৰু ডেনমাৰ্কে সকলো বিষয়ে ফিনলেণ্ডক সহায় নকৰিলেহেতেন ফিনলেণ্ড শেষ হৈ গলহেঁতেন । চুইডেনৰ সহায় বৰ বেছি আছিল । ফিনলেণ্ডৰ ল'ৰা-ছোৱালীবোৰক যুদ্ধৰ সময়ত দুবছৰ চুইডেনে সকলো খৰচ বহন ক'ৰি চুইডেনত ৰাখিছিল । চুইডেনে ইমানকৈ ফিনলেণ্ডক সহায় কৰাৰ অৰ্থ হৈছে চুইডেন বৰ চহকী দেশ । তেওঁ কলে ৰাছিয়াই কিন্তু ফিনলেণ্ডৰ পৰা বহুত দাবী কৰিছে । ফিনলেণ্ডত উৎপন্ন হোৱা উৎকৃষ্ট মেচিন আদি ৰাছিয়াই লৈ যায় । এইদৰেই ৰাছিয়াক ১৯৫২ চনলৈকে দি থাকিব লাগিব । ফিনলেণ্ডৰ তিৰোতাসকলৰ শিক্ষাৰ বিষয়ে মহিলা গৰাকীয়ে কলে ইউৰোপৰ তিৰোতাসকলৰ ভিতৰতে ফিনলেণ্ডৰ তিৰোতাসকল শিক্ষা দীক্ষাত আটাইতকৈ

আগবঢ়ুৱা। বেহা বেপাৰ শিল্প আদি সকলো বিষয়তে তিৰোতাই যোগদান কৰিছে আৰু তাত দক্ষতা দেখুৱাব পাৰিছে। আনকি তিৰোতাক পুৰুহিত (প্ৰিষ্ট) কৰাৰ বিষয়েও কথা চলিছে।

## কোপেনহেগেনত

জাহাজৰ পৰা নামি আমি কোপেনহেগেনলৈ যোৱা ৰেলত উঠিলো। সেই ৰেলত এগৰাকী ডেনিচ মহিলাৰ লগত দেখা হল। তেওঁ নিজৰ পৰাই আমাৰ লগত কথা আৰম্ভ কৰিলে। অধিকাংশ চুইডিচ তিৰোতাই ইংৰাজী নকয়, নিজৰ ভাষাতে তেওঁবিলাকে সকলো শিক্ষা লাভ কৰে। গতিকেই তেওঁবিলাকৰ ভাষা নজনাজনৰ লগত মিলিবলৈ তেওঁবিলাকে ভাল নাপায়। কিন্তু ডেনমাৰ্ক আৰু ফিনলেণ্ডৰ মহিলাসকলে ইংৰাজী কয়। গতিকেই তেওঁবিলাক বিদেশীৰ প্ৰতি ইমান সহানুভূতিশীল। ডেনিচ তিৰোতা গৰাকীয়ে আমাক তেওঁৰ ঘৰত থাকি যাবলৈ ধৰিছিল। আমি অসমৰ্থতা প্ৰকাশ কৰাত তেওঁ আমাক তেওঁৰ ঠিকনাটো দি কলে ভবিষ্যতে যেন আমি তেওঁৰ আলহী নিশ্চয় হও। তেওঁ নিজে আমাৰ লগত আহি যি হোটেলত আমাৰ কাৰণে আগতে বন্দবস্ত কৰা হৈছিল সেই হোটেলটো আমাক দেখুৱাই দি গৈছিল। হোটেলটো ষ্টেচনৰ ওচৰতে আছিল।

ডেনিচ মানুহবিলাকে সদায় হাঁহি মাতি কথাপাতি ভাল পোৱা যেন লাগিল। ল'ৰা-ছোৱালীবিলাকেও ট্ৰামত কথা পাতি গপ্‌শপ্‌ কৰি যোৱা পালো। কোপেনহেগেনৰ পৰা ৰেলত উঠি এঘণ্টাৰ পিচত আকৌ ফেৰি পাৰ হৈ আকৌ ৰেলত উঠিলো। ৰেল ডেনমাৰ্কৰ ভিতৰেদি যাবলৈ ধৰিলে। গাৱঁৰ ঘৰবোৰ দুচলীয়া, কিন্তু বেচ সৰু, বহুত ঠাই এনেয়ে পৰি থকা দেখিলো। এজন জাৰ্মাণ ভদ্ৰলোকক ৰেলত লগ পালো।

তেওঁ নিজৰ পৰাই আমাৰ লগত কথা আৰম্ভ কৰি দিলে। তেওঁ কলে ডেনমাৰ্কৰ লোক সংখ্যা নিচেই কম, মাত্ৰ চল্লিশ লাখ। তাকে অকল কোপেনহেগেনতে পোন্ধৰ লাখ থাকে। ঠায়ে ঠায়ে খেৰৰ জুপুৰীও দেখিলে। যোৱা যুদ্ধত ডেন-মাৰ্কৰ কিছু অংশ জাৰ্মানীয়ে দখল কৰিছিল। বোমাৰ দ্বাৰা ধ্বংস প্ৰাপ্ত হোৱা ঘৰ দুৱাৰবোৰৰ ধ্বংসাৱশেষ চকুত পৰিছিল। ডেনমাৰ্কৰ সীমা শেষ হৈ যি ঠাইৰ পৰা জাৰ্ম্মেনীৰ সীমা আৰম্ভ হৈছিল, সেই ঠাইৰ জাৰ্ম্মান ভদ্ৰলোকজন ষ্টেচন মাষ্টৰ আছিল। তেওঁৰ পৰা জানিব পাৰিছিলো গোটেই জাৰ্ম্মেনীৰ লোক সংখ্যা ছয় কোটি ষাঠি লাখ আছিল। কিন্তু সেই সময়ত পশ্চিম জাৰ্ম্মেনীৰ লোক সংখ্যা চাৰি কোটি পাচ লাখৰ ভিতৰত। আমি চাওতে চাওতে ষ্টেচন পালোগৈ। ভৰ্দ্ৰলোক জনে আমাক মাল-বস্তু দেখুৱাব নালাগে বুলি কলে। মালবস্তু চোৱা লোক কোঠাত সোমোৱাত, ভদ্ৰলোকজনে জাৰ্ম্মাণ ভাষাত মানুহজনক কিবা কিবি কলে। আমি কেৱল ইণ্ডিয়ান শব্দটোহে বুজিব পাৰিলো। জাৰ্ম্মেণীত নামি গৈ আমাৰ পাছপোৰ্ট দেখুৱাব লগাত পৰিছিল। জাৰ্ম্মান ভৰ্দ্ৰলোকজনে আমাৰ লগত নামি গৈ আমাক আৱশ্যকীয় সকলো সহায় কৰিছিল। আমি আহি ৰেলত উঠিলোহি। জাৰ্ম্মান ভদ্ৰলোকজনে পাছপোৰ্ট দেখুৱা ঠাইৰ পৰাই আমাৰ পৰা বিদায় লৈ গুচি গল। আমি ৰেলত উঠি বহি থকাত এজন ডেনিচ ভদ্ৰলোক কোঠাত সোমায়হি। মানুহজনে আমালৈ চাই কলেঃ "এতিয়াই এখন বৰ ডাঙৰ দলং দেখা পোৱা যাব। ইউৰোপৰ ভিতৰত এইখনেই আটাইতকৈ বৃহৎ দলং, ই বাণ্টিক আৰু উত্তৰ প্ৰণালীক লগ লগাইছে। ইয়াক বেডছপিং ব্ৰীজ বোলে। ই দীঘলে চাৰি মাইল। সেই দলংখনৰ পোহৰ আৰু চহৰখনৰ ঘৰবিলাকৰ পোহৰ প্ৰণালীৰ পানীত জিলিকি উঠিছিল। তেওঁৰ পৰা জানিব পাৰিছিলো ডেনমাৰ্কৰ সাধাৰণ অৱস্থা বৰ স্বচ্ছল নহয়।

ডেনমাৰ্ক চীজ, মাখন আৰু কণী ৰপ্তানি কৰাত বিখ্যাত চাইকেলৰ ফেক্টৰীও তাত আছে বুলি কলে। নিজৰ পাম্পৰ ফেক্টৰী আছে বুলি কলে, পাম্পু ৰপ্তানি কৰাই তেওঁৰ ব্যৱসায় বুলি কলে। সেই ৰাতিয়ে ভদ্ৰলোকজন এটা ষ্টেচনত নামি গল। ৰাতিপুৱা এজন জাৰ্মাণ ভদ্ৰলোক আমাৰ গাড়ীত উঠিল। আমাক ভাৰতীয় বুলি আমাৰ লগত আগ্ৰহেৰে কথা পাতিবলৈ ধৰিলে। জাৰ্ম্মেণীত প্ৰাইমেৰী শিক্ষা বাধ্যতামূলক বুলি কলে। সেই শিক্ষা নিজৰ মাক বাপেকেই ল'ৰা-ছোৱালীক দিয়ে। ইংলণ্ডত কিন্তু ১৪ বছৰলৈকে ল'ৰা-ছোৱালীক চৰকাৰৰ খৰচতে শিক্ষা দিয়া হয়। আমাৰ গাড়ীত আন এজন জাৰ্ম্মাণ ভদ্ৰলোক পৰিবাৰৰ সৈতে উঠিল। তেওঁবিলাকে আমাৰ লগত একেলগে জুৰিকলৈ গৈছিল।

## জুৰিকত

জুৰিকৰ পৰা তেওঁবিলাকে প্লেনেৰে অমেৰিকালৈ যাবলৈ আহিছিল। ভদ্ৰলোকজন ডাক্তৰ আছিল আৰু আমেৰিকাত ডাক্তৰী কৰিছিল। আমেৰিকাৰ হস্পিতেলত বিদেশীসকলকো সকলো সুবিধা দিয়ে বুলি তেওঁ কলে। জাৰ্ম্মাণীৰ ভিতৰেদি ৰেল যোৱাত দেখিলো, তাৰ গাঁৱৰ ঘৰবোৰ আন ঠাইৰ গাঁৱৰ ঘৰতকৈ কিছু ডাঙৰ। সকলো ঠাইতে সুন্দৰ খেতি দেখিলো, কিন্তু খেতিৰ মাজে মাজে আমাৰ বাগিচাৰ মাজে মাজে জোপোহা গছ ৰুই দিয়াৰ দৰে ৰুই দিয়া হৈছিল। বাটপথৰ সুন্দৰ ব্যৱস্থা দেখিলো। জাৰ্ম্মেণীত কাঠৰ আৰু আন আন বহুত কাৰখানা দেখিছিলো। জাৰ্ম্মেনীৰ মানুহবোৰক বৰ পৰিশ্ৰমী যেন লাগিল। পথাৰত পুৰুষ-মহিলাক কাম কৰি থকা দেখা পাইছিলো। তেওঁবিলাকৰ আৰু এটা গুণ দেখিছিলো উপযাচি মানুহৰ লগত কথা পাতিবলৈ তেওঁবিলাকে ভাল পাইছিল, আনক সহায় কৰিব পাৰিলেও ভাল

পাইছিল। আমাৰ লগত থকা জাৰ্ম্মান পৰিয়ালেও আমাৰ লগতে জুৰিকত নামিল। ডাক্তৰ দাসে ভুলতে তেখেতৰ অভাৰ কোটটো ৰেলত এৰি আহিছিল, জাৰ্ম্মান ডাক্তৰজনে সেইটো আনি ডাক্তৰ দাসক দিলেহি টমাচ কুকৰ মানুহে আমাৰ কাৰণে ঠিক কৰি থোৱা হোটেললৈ আমাক লৈ গলহি। পিচদিনা ৰাতিপুৱা বাছত উঠি আমি চহৰ চাবলৈ গলো। সেই বাছতে আমি ডাক্তৰ পৰিয়ালটোক লগ পালো। জুৰিক চহৰৰ দৃশ্য অতি মনোৰম। আমাৰ বাছ গৈ এখন নৈৰ পাৰৰ ওখ ঠাইত ৰলগৈ। আমি বাছৰ পৰা নামি ওখ ঠাই ডোখৰৰ পৰা চহৰৰ মনোৰম দৃশ্য দেখিলো, তেতিয়া মোৰ শ্বিলং পাহাৰৰ দৃশ্যৰ কথা মনত পৰিছিল। বাছত যাওতে আমি কংগ্ৰেছ হল, ইউনাইটেড হল, বিশ্ববিদ্যালয়, কলেজ, ছোৱালীৰ স্কুল, পুৰণা হস্পিতেল ঘৰ, নতুন হস্পিতেল ঘৰ কেবাটাও দেখিলো। পলি-টেকনিক এগ্ৰিকালচাৰেল, জুলজি, ফিজিক্স, কলেজ দেখিলো। এখন ঠাইত আমাক বাছৰ পৰা নমাই এটা ঘৰৰ ভিতৰলৈ লৈ যোৱা হল। তাত আমি দেখিলো এটা ডাঙৰ পকা পুখুৰীত কিছুমান ল'ৰা-ছোৱালীয়ে সাতুৰিছে। সেই পুখুৰী চৰকাৰৰ খৰচত ব্যৱস্থিত। পুখুৰীৰ মাজখিনি দহ ফুট দ হব। ২৪ ঘণ্টাত তিনি-বাৰ পুখুৰীৰ পানী সলোৱা হয়। সামান্য পইচা দিয়ে মানুহে তাত সাতুৰিব পাৰে আমাক কোৱা হৈছিল জুৰিক ঠাইখন, বাণিজ্য শিল্পৰ কাৰণে বিখ্যাত। তাত ১১শ আৰু ১২শ শতিকাৰ গীৰ্জ্জা-ঘৰ দেখিলো। বাৰ মান বজাত হোটেললৈ আহি খোৱা বোৱা কৰি অলপ জিৰাই ২॥ মান বজাত ইটলি বাৰ্গলৈ গলোঁ। সেই ঠাইৰ পৰা আলপছ পাহাৰৰ দৃশ্য অতি ভালকৈ দেখা পোৱা যায়।

ইলেক্ট্ৰিক ট্ৰেইনত উঠি আমি সেই ঠাইলৈ গলো। আমি ৰেলৰ পৰা নামি এটি সৰু পাহাৰ বগাই এডোখৰ ওখ ঠাই পালোগৈ। সেই ঠাইৰ নামেই "ইটলিবাৰ্গ" চাৰিওফালে বেৰি থোৱা মুকলি ঠাই, তাতে ঠায়ে ঠায়ে বেঞ্চ চকী পতা আছিল।

সেই ঠাইৰ কাষেদি এখন সৰু নৈ বৈ গৈছে। সেই ওখ ঠাইত এটা জখলাৰ ঘৰ আছে তাৰে ওপৰত উঠি মানুহে নৈৰ আৰু জুৰিক চহৰৰ পূৰ্ণ দৃষ্টি লাভ কৰে। বৰ ওখ দেখি আমি তাত উঠিবলৈ নহল। ওখ ঠাই ডোখৰৰ পৰাই আমি জুৰিক চহৰ চালো। সেই সময়ত সূৰ্য্য অস্ত যাবৰ হৈছিল। গতিকে সূৰ্য্যৰ সোণালী কিৰণ আল্পছ পাহাৰ আৰু নৈৰ ওপৰত পৰি এটি অপূৰ্ব্ব দৃশ্যৰ সৃষ্টি কৰিছিল। এই ঠাইলৈ মানুহক অনা নিয়া কৰিবলৈ কেবাখনো ইলেক্‌ট্ৰিক ট্ৰেইন চলিছিল। ৫-১৫ মিনিটত উভতি আমি জুৰিক পালোহি। জুৰিকত আমি যান-বাহনৰ বৰ সুবিধা দেখিলো।

### জেনেভাত

পিচদিনা জুৰিক পৰিত্যাগ কৰি আমি জেনেভালৈ ৰাওনা হলোঁ। সেইদিনা বতৰ বৰ সুন্দৰ আছিল। বাটত যাওতে পৰ্ব্বতীয়া ওখ চাপৰ ঠাইত শাৰী শাৰী খেৰ দেখিবলৈ পালো। ওচৰতে মুকলি শস্যৰ খেতি, ঠায়ে ঠায়ে ঘাঁহনি, বননিত জাকে জাঁকে গৰু চৰা দৃশ্য অতি সুন্দৰ অনুভৱ হৈছিল। মেঘৰ কাষত আল্পছ পাহাৰ আৰু তাৰ তলত মানুহৰ বসতি। ট্ৰেইনত এজন ভদ্ৰলোকক জেনেভা কেতিয়া পোৱা যাব বুলি সোধাত বেলি আছে বুলি কলে। কেবাটাও ষ্টেচনৰ পিচত ভদ্ৰলোকজন নামিবলৈ ওলাল। আমি তেওঁক সোধা কথা পাহৰি গৈছিলো। তেওঁ নমাৰ আগতে আমাৰ ওচৰলৈ আহি কলেহি যে সেই ষ্টেচনটোৰ পিচৰ ষ্টেচনটোৱেই জেনেভা। জেনেভা ষ্টেচনত নামিয়ে আমি আমাৰ কাৰণে টমাচকুকে ঠিক কৰি থোৱা হোটেলত উঠিলোগৈ। হোটেলৰ পৰাই মানুহ এজনে আমাক ষ্টেচনৰ পৰা আনিবলৈ গৈছিল। হোটেলৰ ব্যৱস্থা বৰ সুন্দৰ। ওপৰলৈ উঠা নমা কৰিবলৈ liftৰ ব্যৱস্থা আছে। হোটেলত থাকবলৈ অহা মানুহক কোন টলাৰ কোনটো ছুইচ দেখুৱাই

দিয়া হয়। প্ৰত্যেকেই সেইদৰেই ছুইচ টিপি উঠা নমা কৰে। হোটেলত খোৱা মেল্য দিয়াত তিৰোতাৰ সংখ্যাই বেছি। জুৰিক আৰু জেনেভাত এটা নতুন কথা দেখিলোঁ। মানুহক চিনি পাওকেই বা নাপাওক ইজনে সিজনক দেখিলেই মুৰ দুপিয়াই পৰস্পৰৰ ভিতৰত শুভ ইচ্ছা জ্ঞাপন কৰে। খোৱাৰ টেবুলতো তেনেকুৱা আচৰণ কৰা দেখিলো। ষ্টেচনত মই আমাৰ বস্তু-বিলাকৰ ওচৰত থিয় হৈ আছিলো। ডাক্তৰ দাসে টুইচ পইচা ভঙাবলৈ গৈছিল। সেই সময়ত মই লক্ষ্য কৰিছিলো মোৰ কাষেৰে যোৱা মানুহবোৰে মোৰ ফালে চাই মুৰ দুপিয়াই গৈছিল। প্ৰথমে মোৰ মনত আচৰিত লাগিছিল। কিন্তু হোটেললৈ গৈ বুজিব পাৰিছিলো তেওঁবিলাকৰ তেনে কৰা নিয়মেই। অইন ঠাইৰ দৰে জেনেভাটো আমি বাছেৰে চহৰ চাবলৈ ওলালো। জেনেভাত যাত্ৰীৰ সংখ্যা বৰ কম পালো। বাছৰ টিকট কিনি মানুহ গোট নোখোৱাৰ কাৰণে বাছ ষ্টেচনত আমি বহুত পৰ বৈ থাকিব লগাত পৰিছিল। জেনেভাৰ লোক সংখ্যা দুশ হাজাৰ, জুৰিকৰ দুশ পচাশী হাজাৰ, আমি জেনেভাত United Nations Building, United Nations Labour Building দেখিলো। প্ৰথম বনুৱা নেতা কিজনৰ শিলৰ মূৰ্ত্তি দেখিলো। বেলজিয়াম ৰজাই যি ঘৰত ৭ বছৰ আছিল সেই ঘৰো দেখিলো। কেলভিল কলেজ যি কলেজলৈ প্ৰথম জেনেভা বিশ্ববিদ্যালয় স্থষ্টি হৈছিল সেই কলেজ দেখিলো। মিউজিয়াম হল, অতি পুৰণি কেথ্‌লিক গিৰ্জ্জা, United Nations Red-Cross Hall দেখিলো। এটা গীৰ্জ্জা ঘৰ দেখুৱাবলৈ আমাক বাছৰ পৰা নমাই নিছিল। দুৱাৰ মুখত দেখিলো John Knox 1956 তেওঁ এজন Reformer আছিল। গীৰ্জ্জাৰ ভিতৰৰ কাৰুকাৰ্য্য আগৰ ধৰণেই ৰখা হৈছিল। খিৰিকী বেঞ্চ ইত্যাদি ভাঙি গৈছে, তথাপি তাক সংৰক্ষিত কৰি ৰখা হৈছিল। আমি 'ৰো' আৰু 'এয়াৰ' নৈৰ সংযোগ দেখিলো।

এখনৰ পানী ঘোলা, গৰম, নীলবৰণীয়া, আনখনৰ পানী পৰিষ্কাৰ ঠাণ্ডা, ৰং বিহীন। এই দুইখন নৈ একেলগ হৈছে এটা সংযোগত। চহৰখন দেখি বৰ ভাল লাগিল। মানুহজনে কলে এই চহৰ এসময়ত ৰোমে শাসন কৰিছিল, আকৌ এসময়ত জাৰ্ম্মাণৰ দ্বাৰাও শাসিত হৈছিল।

সেই কাৰণে ৰোম আৰু জাৰ্ম্মানীৰ বিখ্যাত লোকৰ স্মৃতি ঠায়ে ঠায়ে দেখিবলৈ পোৱা গৈছিল। জেনেভাত চাৰিটা ভাষা চলে। ছুইচ, জাৰ্ম্মাণ, ফ্ৰেন্স আৰু ইটালী। ফ্ৰান্স আৰু জাৰ্ম্মাণ ইটালীতকৈ বেছিকৈ চলে।

আমি জেনেভাৰ মিউজিয়াম চাবলৈ গ'লো। কিন্তু লণ্ডনৰ মিউজিয়ামৰ দৰে ইয়াক বহুত যেন নালাগিল। মিউজিয়াম চাবলৈ যোৱা যাত্ৰীৰ সংখ্যাও' বৰ কম দেখিলো। আমি যাওতে মাত্ৰ তিনি যোৰা দৰ্শক গৈছিল। পিচদিনা আমি বাছেৰে চহৰখন চাবলৈ গলো। মেপৰ সহায়ত যাত্ৰীবিলাকে কোন ঠাইৰ পৰা ক'লৈ যাব লাগে সকলো জানি লয়। ইয়াৰ পৰা' লৰা-ছোৱালীয়ে মেপ চোৱা অভ্যাস সৰু কালৰে পৰা কৰে। বাছৰ পৰা নামি আমি যেতিয়া হোটেলৰ ফালে আহো অলপ বাট এখন নৈৰ পাৰেদি খোজ কাঢ়ি আহিব লগাত পৰিছিল। আমি দেখিছিলো এখন ডাঙৰ নাৱত কিছুমান শিলৰ ডোখৰ ভৰাই নৈত বগৰাই দিয়া হৈছিল। আমি তাতে বৈ দেখিলো নৈৰ পানীবোৰ ফটফটিয়া, যি ঠাইত শিল পেলোৱা হৈছিল. সেই ঠাইৰ পানী তললৈকে দেখা পোৱা গৈছিল। তেতিয়া বুজিলো নৈত বোকা নহবৰ কাৰণে তেনেকৈ পানীত শিল পেলোৱা হৈছে। আমি হোটেললৈ আহি খোৱা বোৱা

পেৰিচত

কৰি গধূলি ৮ বজাত পেৰিচলৈ বুলি ৰেলেৰে যাত্ৰা কৰিলো।

পেৰিচলৈ যোৱা ৰেলখন বৰ বেয়া লাগিছিল, ৰেলখন বৰ ঘটংমটং কৰি কৰি চলিছিল। পিচদিনা ৰাতিপুৱা ৭ বজাত আমি পেৰিচ পালোগৈ। টমাচ কুকৰ মানুহে আমাক আমাৰ কাৰণে ঠিক কৰি থোৱা হোটেললৈ লৈ গল। হোটেলত চাহ খাই আমি চহৰ চাবলৈ ওলালো। এটা নতুন নিয়ম দেখিলো, হোটেলত যদি মটৰৰ টিকট কিনা হয়, সেই মটৰে বাছ ষ্টেণ্ডত নমাই দিয়ে। তাৰ পৰা বাছৰ টিকট কিনি বাছত উঠি চহৰ চাবলৈ যাব পাৰে। আমি পেৰিচৰ বিখ্যাত অপেৰা ঘৰ, দুই হাজাৰ একৰৰ পাৰ্ক, অতি ওখ গীৰ্জ্জা ঘৰ, ৰিপাব্লিকৰ সভাপতিৰ ঘৰ আদি দেখিলোঁ। আইভেল টাওৱাৰ দেখিলো। নেপলিয়নৰ ঘৰ অতি চমৎকাৰ। ঘৰৰ ভিতৰত সুন্দৰ কাৰুকাৰ্য্য কৰা হৈছে। সকলো চাই চিতি, বাছে নিৰ্দ্দিষ্ট ঠাইত নমাই দিয়াত আমি হোটেললৈ উভতি গলো। আমি বাছত উঠি চহৰ চাবলৈ যাওতে আমাৰ বাছত এজন বঙালী ডাক্তৰক লগ পাইছিলো। আমি ২॥ মান বজাত Vecsailles চাবলৈ ওলালো, আমাৰ লগত ডাক্তৰ জনো ওলাল। বাছৰ পৰা নামি আমি আগৰ ফ্ৰান্স ৰাজভৱনত সোমালো। ৰাজ প্ৰাঙ্গণত Lousis XIV ঘোৰাত উঠি থকা শিলৰ মূৰ্ত্তি দেখিলো। যেতিয়া মানুহবোৰে ৰজা নমনা হল, প্ৰথমে ৰাজ প্ৰাঙ্গণ বেৰি লৈ ৰাণী থকা ঘৰৰ ফালে গৈ ৰাণীক বধ কৰিব খুজিছিল। ৰাণীৰ পৰিচাৰিকাৰ সহায়ত চুইচ সেনানায়কৰ যত্নত ৰাণীক ততালিকে ৰজা থকা ঘৰলৈ লৈ যোৱা হল। সেইবাৰ তেনে-কৈয়ে ৰাণীৰ জীৱন ৰক্ষা পৰিল। ৰাজভৱনৰ দুইফালে ৰজাৰ পৰিষদ আদি থকা ঘৰ। তিনিটা অট্টালিকা একে লাইনতে দুইফালে ফুলৰ বাগিচা, পুখুৰী, মাজে মাজে সুন্দৰ জোপোহা গছ। এইবোৰ চাই চিতি উভতি আহোতে যি ঠাইত ৰজা ৰাণী, ৰজাৰ ফলীয়া, বিষয়াসকলক বেৰি বধ কৰা হৈছিল সেই ঠাই দেখি আহিছিলো। সেই ঠাই কিন্তু পেৰিচত, তাত ৰজা-

ৰাণী, তেওঁবিলাকৰ পৰিয়ালজন আৰু আন অন্যসকলৰ শিলৰ মূৰ্ত্তি কৰি থোৱা আছে। চাৰিওফালে নানা ৰঙৰ চাকি জ্বলোৱাৰ ব্যৱস্থা দেখিলো। ৰাতি বোলে যেতিয়া গোটেইবোৰ চাকি জ্বলি উঠে, সেই শিলৰ মূৰ্ত্তি বিলাকেৰে সৈতে সেই ঠাই এটি চাবলগা দৃশ্য হৈ পৰে। সেইদিনা ফুৰি চাকি হোটেল পাওতে আমাৰ ৬॥ মান বাজিছিল।

পিচদিনা আমি ট্ৰামত উঠি পেৰিচৰ বিখ্যাত মিউজিয়াম চাবলৈ গ'লো। মিউজিয়ামত শিলৰ মূৰ্ত্তি আৰু ছবি আছিল। অধিকাংশ মূৰ্ত্তি বস্ত্ৰ বিহীনা, কিছুমানত কাপোৰ পিন্ধোৱা আছিল।

তিৰোতা মূৰ্ত্তিৰ পোছাক দেখিলো, তলত কোঁচ দিয়া কাপোৰ পিন্ধিছে, ওপৰত এখন চাদৰৰ দৰে লৈছে, কোনো কোনোৱে মূৰত কাপোৰ লৈছে। সেই পোচাকৰ লগত আধুনিক ইউৰোপীয় মহিলাৰ পোছাকৰ অলপো মিল নেদেখিলো। পুৰুষৰ যি মূৰ্ত্তিত কাপোৰ পিন্ধোৱা আছে, তেওঁবিলাকৰ গাত মাত্ৰ এখন কাপোৰ দেখিলো। গ্ৰীক কবি এজনৰ গাত কেৱল এখন চাদৰ দেখিলোঁ। কিছুমানে দীঘল আলখোলাৰ দৰে পিন্ধিছে, কিছুমানে আকৌ তলত দীঘল কাপোৰ একোখন পিন্ধি ওপৰত একোখন চাদৰৰ দৰে লৈছে। এওঁবিলাকৰ পূৰ্ব্বৰ সাজ-পোছাকৰ লগত ভাৰতবাসীৰ সাজ-পোছাকৰ বহুত মিল দেখিলো। কিছুমান পুৰুষৰ শিলৰ মূৰ্ত্তিত খোপা বন্ধা থকাও দেখিলো। মিউজিয়ামটো অতি সুন্দৰকৈ সজাই থৈছে। শিলৰ মূৰ্ত্তি আৰু আঁকা ছবিবিলাক বাস্তবতে চাব লগা শিল্পৰ নিদৰ্শন।

অসংখ্য পুৰুষ-তিৰোতা, ডেকা-গাভৰুৰ সেই মিউজিয়ামত সমাবেশ দেখিলো। মিউজিয়ামৰ ঘৰৰ সন্মুখত যাত্ৰী অহা-যোৱা কৰা বাছ লাইন পাতি আছিল। আমি চোৱা-চিতা শেষ কৰি বাছত উঠি হোটেললৈ আহিলো।

পেৰিচ বৰ জাকজমক ঠাই। শিল্পকলাৰ বিষয়ে পেৰিচ বৰ আগবঢ়া। ৰাতিৰ পেৰিচ অতি জাকজমক। ৰঙা, নীলা পোহৰেৰে ৰমক-জমক। ৰাতি মানুহৰ সমাগম দিনতকৈ বেছি যেন লাগিছিল। পুৰুষ-তিৰোতা সকলোৱে যেন ৰং-ধেমালি চাই আনন্দত বিভোৰ। পেৰিচত মানুহে বাটত যাওঁতে কথা পাতি গণ্ডগোল কৰি যোৱা যেন লাগিলকিন্তু লণ্ডনত মানুহে বাটত যাওতে নিস্তব্ধে যোৱা দেখিলো। ৰাতি খোজ কাঢ়ি যোৱা মানুহৰ চিঞৰ শোৱা পাটিতো শুনিবলৈ পাইছিলো।

পেৰিচত আনাবিলাক ঠাইৰ দৰে খোৱা-মেলাৰ সিমান সুবিধা পোৱা নগল। বস্তুৰ অভাৱ যেন লাগিল। মানুহবোৰ বেচী পৰিশ্ৰমী নহয়, ৰং-তামচাতে যেন সকলোৱে মগ্ন।

পেৰিচ এৰিবৰ দিনা আমি বৰ মস্কিলত পৰিছিলো। টমাচ কুকৰ মানুহে যথা সময়ত হোটেললৈ আহি আমাৰ যোৱাৰ সকলো বন্দোবস্ত কৰি দিয়াৰ কথা আছিল। সকলো ঠাইতে টমাচ কুকৰ মানুহে সকলো আৱশ্যকীয় বন্দোবস্ত কৰি দিছিল, কিন্তু পেৰিচত টমাচ কুকৰ মানুহ যথাসময়ত নহা দেখি আমি বিবুদ্ধিত পৰিলোঁ। আমি দেখিলো ৰেল এৰিবলৈ মাত্ৰ বিশ মিনিট আছে। এখন টেক্সী ভাড়া কৰি ষ্টেচনলৈ গলো। তাতে আমাৰ মাল নিবলৈ কুলি এটা ললো, কুলিৰ পিচে পিচে আমিও যাবলৈ ধৰিলোঁ। এঠাইত মানুহ এজন থিয় দি আছিল, আমাৰ টিকট আছেনে বুলি সোধাত আমি টিকট দেখুৱালো। আমাৰ ৰিজাৰ্ভ টিকট আছেনে বুলি তেওঁ সোধাত নাই বুলি কলো। আমাক তাতে অলপ বেলি ৰবলৈ কৈ তেওঁ নিজেই দুটা ৰিজাৰ্ভ টিকট আনি আমাৰ হাতত দিলে। ৰিজাৰ্ভ টিকট নহলে সোনকালে ৰেলত ঠাই পোৱা টান কথা। ৰেলৰ মানুহেই আমাক সেইদৰে সহায় কৰাত আমি আচৰিত হলোঁ।

## প্ৰত্যাবৰ্ত্তন

ট্ৰেইনেৰে আমি কেলে নামৰ ঠাইলৈ আহিলোঁ। তাতে নামি ফেৰীৰে পাৰ হব লগাত পৰিলোঁ। কুলিৰ দ্বাৰা বাট

উলিয়াবলৈ সুবিধা হব বুলি ভাবি আমি আমাৰ মাল কুলিৰ হাতত দিলোঁ আৰু একো অসুবিধা নাপালো জাহাজত উঠিবলৈ। ফেৰীৰে পাৰ হৈ আমি ডভাৰ পালোগৈ। ডভাৰৰ পৰা ট্ৰেইনত উঠি আমি লণ্ডন পালোহি। লণ্ডনত লৰা-ছোৱালী কিজনৰ লগত দেখা হ'ল। কিছুদিন তাত থাকি আমি ভাৰতলৈ বুলি ৰাওনা হলোঁ।

১৯৫০ চনত আমি বিলাতৰ পৰা উভতি আহিলোঁ। তিনি-উটা লৰাকে বিলাতত এৰি আহিলো। ছোৱালীজনীক লীড্চ্ ইউনিভাৰ্চিটিত পলিটিকেল ছায়েন্সত ভৰ্ত্তি কৰি দিয়া হৈছিল। আমি অসমলৈ উভতি আহিবলৈ ওলোৱাত দেউতাকে ছোৱালীজনীক এৰি আহিবলৈ বেয়া পোৱা দেখি ছোৱালীজনীও আমাৰ লগত উভতি আহিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। ছোৱালী-জনীক লগতে লৈ অহা হ'ল।

১৯৫০ চনৰ নিৰ্ব্বাচনত ডাক্তৰ দাসে কংগ্ৰেছৰ পৰা অসম বিধান সভালৈ উঠিবলৈ মনস্থ কৰি দৰ্খাস্ত কৰিছিল। ময়ো তিৰোতাৰ আসনত বিধান সভালৈ উঠিবলৈ মনস্থ কৰি দৰ্খাস্ত দিছিলোঁ। প্ৰদেশ কংগ্ৰেছৰ পৰা আমাক বছা নহ'ল। আমাৰ দুয়োৰে দৰ্খাস্ত নিয়ম অনুসৰি কেন্দ্ৰৰ নিৰ্ব্বাচন অফিচলৈ পঠোৱা হৈছিল। কম সংখ্যক তিৰোতাক নিৰ্ব্বাচনত বছা হৈছে বুলি প্ৰতিবাদ কৰি প্ৰাদেশিক মহিলা সমিতেয়ে দিল্লীলৈ গৈ প্ৰতিবাদ কৰিলে। কেন্দ্ৰৰ অফিছে মহিলাসকলৰ দৰ্খাস্তবিলাক চাই তিনি জনীক বাছিলে। হঠাৎ কাগজত দেখিলো গুৱাহাটীত মোক বছা বুলি। ইতিমধ্যে অসমৰ ভূতপূৰ্ব্ব ৰাজ্যপাল শ্ৰীশ্ৰীপ্ৰকাশজীৰ পৰা উক্ত নিৰ্ব্বাচনত মোৰ কৃতকাৰ্য্যতা কামনা কৰি লিখা এখন পত্ৰ পালো। অসমত ৰাজ্যপাল হৈ থাকোতে শ্ৰীশ্ৰীপ্ৰকাশজীৰ লগত কলেজ আদিৰ বিষয় লৈ মই কেবাবাৰো দেখা সাক্ষাৎ কৰিছিলো।

সেইবাৰ গুৱাহাটীৰ পৰা শ্ৰীহেম বৰুৱা, শ্ৰীজগদীশ মেধী, শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য, বিভিন্ন পাৰ্টিৰ পৰা অসম বিধান সভালৈ উঠিছিল। মই কংগ্ৰেছৰ পৰা উঠিছিলো। শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্যৰ হাতত মই ১২০ টামান ভোটত হাৰিলোঁ।

ভৰলুমুখত ছোৱালীৰ কাৰণে এটি হাইস্কুলৰ আৱশ্যকতা অনুভৱ কৰি সেই অঞ্চলত এটি ছোৱালী হাইস্কুল খুলিবলৈ যত্ন কৰা উচিত বুলি বিবেচনা কৰা হ'ল। মই সেই ঠাইৰ মহিলা সকলৰ দ্বাৰা এখনি ৰাজহুৱা সভা আহ্বান কৰাবলৈ স্থিৰ কৰিলো। সভাত পুৰুষ-মহিলা সকলোৱে সমবেত হৈ ভৰলু মুখত এটি ছোৱালী হাইস্কুল খুলিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিলে।

সোণাৰাম হাইস্কুলৰ তেতিয়াৰ হেডমাষ্টৰ কালীচৰণ দাসে স্কুলখন খোলাত বিশেষ ভাৱে নানা বিষয়ে সহায় কৰিছিল। স্বৰ্গীয় কামাখ্যা ৰাম বৰুৱাই স্কুলৰ কাৰণে ১৫,০০০ টকাৰ দান আগবঢ়োৱাত স্কুলখনৰ নাম কালীৰাম বৰুৱা ছোৱালী হাইস্কুল দিয়া হল। ভৰলুমুখৰ এম-ই-স্কুলতে হাইস্কুলৰ ক্লাছ খুলি দিয়া হয়। শ্ৰীবলেন ফুকন এম-ই স্কুলৰ সম্পাদক আছিল। তেওঁকে হাইস্কুলৰো সম্পাদক পতা হল। শ্ৰীমতী মছফিয়া আহমেদ পাণ-বজাৰ হাইস্কুলত কাম কৰি আছিল। তেওঁ নিজৰ ইচ্ছামতে ভৰলু হাইস্কুলত কাম কৰিবলৈ আহিল। তেওঁক সহকাৰী প্ৰধান শিক্ষয়িত্ৰীৰ পদত নিযুক্ত কৰা হল। কিছুদিনৰ কাৰণে আইমনা খাতুন এম-এক প্ৰধান শিক্ষয়িত্ৰীৰ পদত লোৱা হৈছিল। কিন্তু তেওঁ কেইমাহমানৰ ভিতৰতে কাম এৰি দিলে। আইমনা খাতুন আমাৰ ঘৰৰ ওচৰত আছিল, মই দহ বজাত তেওঁক মটৰেৰে স্কুলত থৈ আহিব লগাত পৰিছিলো। আহিবৰ সময়ত তেওঁ নিজেই আহিছিল। তেওঁ কাম এৰি দিয়াত স্বৰ্গীয় হলিৰাম ডেকাৰ প্ৰথমা কন্যা বীণাকে প্ৰধান শিক্ষয়িত্ৰীৰ পদত নিযুক্ত কৰা হৈছিল। হলিৰাম ডেকাই স্কুলখনৰ কাৰণে পুঁজি আদি

সংগ্ৰহ কৰি দি বিশেষ সহায় কৰিছিল। চৰকাৰে স্কুলৰ কাৰণে গ্ৰাণ্ট মঞ্জুৰ কৰিলে। কালীৰাম বৰুৱা হাইস্কুলখন যথাসময়ত গঢ়ি উঠিল। এই স্কুলখন স্থাপিত হোৱাত ভৰলুমুখৰ ছোৱালী-বিলাকৰ শিক্ষাৰ বিষয়ে খুবেই সুবিধা হল। নহলে তেওঁবিলাকৰ খোজ কাঢ়ি বা বাছেৰে পাণবজাৰ হাইস্কুলত পঢ়িবলৈ আহিব লগাত পৰিছিল।

উজানবজাৰৰ তাৰিণীচৰণ চৌধুৰী হাইস্কুলখন ভৰলুমুখৰ কালীৰাম বৰুৱা হাইস্কুলৰ সমসাময়িক বুলিব পাৰি। ডাক্তৰ দাসৰ ভনীয়েক প্ৰমীলা চৌধুৰীয়ে নিজৰ স্বামীৰ নামত উক্ত স্কুলখন খুলিবলৈ ১৬,০০০ টকাৰ পুঁজি এটি আগবঢ়াইছিল। তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে স্কুলখন গঢ়ি তোলাত বিশেষ বৰঙণি যোগাইছিল। উক্ত স্কুলখনেই কামৰূপত একমাত্ৰ চৰকাৰী ছোৱালী হাইস্কুল।

[illegible] চনত আমাৰ পৰিয়ালে মহা দুৰ্দ্দিনত কাল কটাব লগাত পৰিছিল। আমাৰ প্ৰথমা কন্যাই এটি কন্যা সন্তান এৰি ইহলীলা সম্বৰণ কৰিলে। এই শোকত আমি বিহ্বল হৈ পৰিলোঁ। বহুত চিকিৎসা কৰা সত্বেও যেতিয়া ছোৱালীটিক প্ৰাণে ৰচাব পৰা নগল, পিতৃ হিচাপে মোৰ স্বামী ডাক্তৰ দাস, আৰু মাতৃ হিচাপে মই নিজে শোক সাগৰত ডুবি পৰিলোঁ। সকলো অসাৰ অনুভৱ কৰিলোঁ। বহুত দিনৰ কাৰণে নিজৰ মনক কোনোমতেই স্থিৰ কৰিব পৰা নাছিলোঁ।

কৰ্ত্তব্য সুঁৱৰি লাহে লাহে কামত ধৰিলোঁ আকৌ। আগতে মই স্কুলৰ পাঠ্যপুথি হিচাপে তিনিখন কিতাপ লিখিছিলো। সাহিত্য পাঠ তৃতীয় ভাগ, সাহিত্য পাঠ চতুৰ্থ ভাগ আৰু সাহিত্য পাঠ পঞ্চম ভাগ। লৰা আৰু ছোৱালীৰ স্কুলত সেই কিতাপ কিছুবছৰ চলিছিল। পিচত কিতাপবিলাক স্কুলৰ পাঠ্য পুস্তকৰ লিষ্টৰ পৰা উঠি গল।

বহুতদিনলৈ সন্দিকৈ কলেজত বিজ্ঞান শাখা খুলিব নোৱাৰি মনত বৰ অশান্তি লাগি আছিল। কলেজৰ ঘৰ-দুৱাৰৰ বিশেষ উন্নতি সাধিত হৈছিল। ছাত্ৰীৰ সংখ্যাও ছশৰ ওপৰ হৈছিল। কলেজত কলা বিভাগৰ সকলো আৱশ্যকীয় বিষয় খোলা হৈছিল, প্ৰত্যেক বিষয়তে অনাৰ্ছ খোলা হৈছিল। অধ্যাপক অধ্যাপিকাৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছিল। ইউনিভাৰ্চিটি গ্ৰাণ্ট কমিচনে কলেজ বিলাকক গ্ৰাণ্ট আগবঢ়াই সহায় কৰা সময়ত, সন্দিকৈ কলেজত বিজ্ঞান শাখা আৰম্ভ কৰিবলৈ এটি সুযোগ মিলিল। অসমৰ তেতিয়াৰ ডি-পি-আই শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱাই কৰিব পৰা সহায়খিনি আগবঢ়োৱাত, সন্দিকৈ কলেজত প্ৰথমে গাৰ্হস্থ্য বিজ্ঞানৰ শ্ৰেণী আৰম্ভ কৰা হল। ক্ৰমান্বয়ে প্ৰি-ইউনিভাৰ্চিটি ক্লাছত পি, ইয়াৰ ডিগ্ৰী ক'চতো কিছুমান বিষয়ত বিজ্ঞান শাখা খোলা হ'ল। সন্দিকৈ কলেজত কলা আৰু বিজ্ঞান শাখা খুলি কলেজ-খনক সৰ্বাঙ্গসুন্দৰ কৰি গঢ়ি তুলিব পাৰি ধন্য হলো। সন্দিকৈ কলেজ এখন লেখত লবলগীয়া কলেজত পৰিণত হোৱা দেখি কাৰ অন্তৰ নুজুৰাব? এইখন কলেজ আৰম্ভণীৰ পৰাই মহা দুৰ্যোগৰ ভিতৰেদি কাল অতিবাহিত কৰিব লগাত পৰিছিল। পুৰণি সমাজৰ নাৰী আছিল অন্তঃপুৰবাসিনী আৰু চিৰকাল জ্ঞানৰ পোহৰৰ পৰা বঞ্চিত হৈ পুৰুষৰ ৰক্ষিতা হৈ চলাটোৱেই আছিল নাৰী জীৱনৰ লক্ষ্য। নাৰী আছিল ভোগৰ সামগ্ৰী বা শ্ৰমৰ আহিলা।

আজিৰ শিক্ষিতা নাৰীয়ে শিক্ষা জ্ঞানৰ পোহৰেৰে নিজক আলোকিত কৰিবলৈ সুযোগ লভিছে। জ্ঞান-বুদ্ধিত নাৰী আজি কোনো গুণেই পুৰুষতকৈ হীন নহয়। আজিৰ নাৰী অবলা নহয়। তেওঁবিলাকৰ শিক্ষাজ্ঞানৰ প্ৰভাৱত আজিৰ নাৰীয়ে স্বাধীন ভাৰতক উন্নতি পথত আগুৱাই নিবলৈ যথেষ্ট সবল। নাৰীয়ে নৈতিক বলত বলৱতী হৈ ভাৰতত সৃষ্টি হোৱা সকলো অশান্তি বিশৃঙ্খলা, দুখ-দুৰ্গতি অপায়-অমঙ্গল দূৰীভূত কৰি ভাৰতত শান্তি

স্থাপন কৰিবলৈ সমৰ্থ হব পাৰে। নাৰীয়ে পুৰুষকো সত্যপথ সন্ধানত বিশেষ ভাৱে সহায় কৰিব পাৰে। নিজৰ সন্তানক স্বাধীন ভাৰতবাসীৰ গুণেৰে গঢ়ি তুলি, সবল জাতি গঠন কৰিব পাৰে। আজি নাৰীয়ে পুৰুষৰ সহায়িকা স্বৰূপে স্বাধীন ভাৰতৰ স্বাধীনতা ৰক্ষা কৰি ভাৰতক উন্নতি সোপনৰ শীৰ্ষস্থান অধিকাৰ কৰাত সহায়ক হব পাৰে। আজিৰ ভাৰতে নাৰী জাতিৰ পৰা বহুতেই আশা কৰিছে।

---